# ঈশ্বৰে সদায় তেওঁৰ প্ৰতিজ্ঞা ৰাখে।
# পুৰণি নিয়মৰ বুৰঞ্জীমূলক পুস্তকবোৰ


ল'ৰা-ছোৱালীক শিকোৱাসকলে অধ্যয়ন H3b পঢ়া উচিত।

**১। বুৰঞ্জীমূলক কিতাপ কেইখনমান শিকাবৰ বাবে প্ৰাৰ্থনাৰে আৰু বাক্যৰে যুগুত হওক।**


**প্ৰাৰ্থনা ঃ** "প্ৰভু ঈশ্বৰ, তুমি অতীতৰে পৰা তোমাৰ লোকসকলৰ বিশ্বাসী হৈ আহিছা। মোৰ মেৰবিলাকক আৰু মোক তোমাত আজি বিশ্বাস ৰাখিবলৈ আৰু আমাৰ ল'ৰা-ছোৱালীবিলাকক আৰু পাচত তোমাত বিশ্বাস ৰাখিবলৈ শিকোৱা।

তলৰ তালিকাত সংখ্যাবোৰে মচীহ্ যীচুৰ জন্মৰ কিমান বছৰ আগয়ে সেইবোৰ পুস্তকত থকা ঘটনাবোৰ কিমান বছৰ ঘটিছিল তাকেই বুজাইছে। প্ৰত্যেকখন পুস্তকতে এটা ভালকৈ জনা পদ চাওক, নতুন নিয়মত কেনেকৈ এই আটাইবোৰ বুৰঞ্জীমূলক পুস্তকৰ লগত সম্বন্ধ আছে তাক পঢ়ক।

**বুৰঞ্জীমূলক পুস্তকবোৰৰ সময় ৰেখা**




**১৪০৬-১৩৮৩।** কনান দেশ অভিযানৰ সময়ত যিহোচুৱাই ইস্ৰায়েলসকলক পৰিচালনা কৰিছিল। ১ঃ৭ ত চাওক। তেওঁলোকে সম্পূৰ্ণৰূপে প্ৰভুৰ বাধ্য হোৱা বাবেহে শত্ৰুবিলাকৰ ওপৰত জয়ী হৈছিল। যিহোচুৱা ৬ঃ২২-২৫ পদৰ ৰাহাব বেশ্যাৰ কাহিনীটো নতুন নিয়মৰ ইব্ৰী ৬ঃ২২-২৫ পদত চাওক।



**যিৰোহো নগৰৰ বেৰ খহিবলৈ ধৰিছে যিহোচুৱা ৬ঃ১৫-২০ পদ চাওঁক।**

**১৩৮৬-১০৪৫ ঃ** ঈশ্বৰলৈ ইস্ৰায়েল বিলাকৰ ৩০০ বছৰীয়া অবাধ্যতাৰ কালত বিচাৰ বিলাক স্থানীয় নেতা, বীৰ আৰু মুক্তিদাতা আছিল। বিচাৰকৰ্ত্তাবিলাক ১৬ঃ৬ পদটো চাওক। বিচাৰকৰ্ত্তাবিলাকৰ ১৪ঃ৫-৬ পদত থকা চিমচোনৰ বিষয়ে উল্লেখ থকা ইব্ৰী ১১ঃ৩৩ পদ চাওক।

১১০০ ৰূথ, যিগৰাকী ইস্ৰায়েলৰ প্ৰভুক মানি চলা এগৰাকী বিদেশী মহিলা, তেওঁ বোৱজক বিবাহ কৰি দায়ুদ ৰজা আৰু মচীহ যীচুৰ বংশৰ হৈ পৰিল। ৰূথ ১ঃ১৬ আৰু মথি ১ঃ৫ পদত বোৱজ আৰু ৰূথৰ নাম চাওক।

১১০০-১০১০। ১ চমূৱেলত চমূৱেল ভাৱবাদীৰ নেতৃত্বৰ, চৌল ৰজাৰ ৰাজত্ব আৰু পতনৰ আৰু দায়ুদৰ উত্থানৰ বিষয়ে বৰ্ণনা কৰিছে। ১৫ঃ২২ পদ চাওক। পাঁচনিৰ কৰ্ম্ম ১৩ঃ২২ পদত ১ চমুৱেল ১৩ঃ১৪ পদৰ পৰা দায়ুদৰ বিষয়ে প্ৰভুৰ বাক্যলৈ মন কৰক।

১০১০-৯৭০২, ২ চমূৱেলত দায়ুদ ৰজাৰ অনেক জয় আৰু তেওঁৰ পাপ বিফলতাবোৰ আৰু ৰাজনৈতিক সমস্যাবোৰৰ বৰ্ণনা কৰিছে। ২ চমূৱেল ৭ঃ৯ পদ চাওক। ২ চমূৱেলৰ ৭ঃ৮ আৰু ১৪ পদত ঈশ্বৰে দায়ুদৰ বংশক কৰা প্ৰতিজ্ঞা ২কৰিন্থীয়া ৬ঃ১৮ পদত আমি খ্ৰীষ্টিয়ানবিলাকৰ ক্ষেত্ৰত প্ৰযোজ্য হৈছে।

১০১১-৯৭০, ১ বংশাৱলিত দায়ুদ ৰজাৰ ৰাজত্বকালৰ বিষয়ে বৰ্ণনা কৰিছে। ১বংশাৱলি ৪ঃ১০ পদ চাওক। ১বংশাৱলি ১৭ঃ১১ আৰু ১৩ পদত দায়ুদক কৰা প্ৰতিজ্ঞা ইব্ৰী ১ঃ৫ পদত যীচুৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা মন কৰক।

৯৭০-৫৩৮, ২ বংশাৱলিত ইস্ৰায়েলৰ আৰু যিহুদা দেশৰ ৰজাবিলাকৰ ৰাজত্ব, চলোমনৰ ৰাজ অভিযেকৰ পৰা যিহুদাৰ পতন আনকি পাৰস্যৰ ৰজা যা ৫৩৮ খৃষ্টাব্দত যিৰূচালেম মন্দিৰ পুনৰ নিৰ্মাণ কৰিবলৈ আদেশ দিয়ালৈকে বৰ্ণনা কৰা আছে। ২বংশাৱলি ২৪ঃ২০ আৰু ২১ পদকেইটি মনত পেলাবলৈ চাওক।

৯৭০-৮৫৩। ১ৰাজাৱলিত চলোমন ৰজাৰ ৰাজত্ব, দেশখন দুটা ৰাজ্যত বিভক্ত হোৱা, উত্তৰত ইস্ৰায়েল আৰু দক্ষিণে যিহুদা আৰু এলিচা ভাৱবাদীৰ কাৰ্য্যকালৰ বিষয়ে বৰ্ণনা কৰা আছে। ১ৰাজাৱলি ৩ঃ৯ পদ চাওক। ৰোমীয়া ১১ঃ৩ আৰু ৪ পদত ১ ৰাজাৱলি ১৯ঃ১০, ১৪ আৰু ১৮ পদৰ উদ্ধৃতিখিনিলৈ চাওক।

৮৫৩-৫৬১, ২ ৰাজাৱলিত ইলীচাৰ ভাৱবাদীৰ কাৰ্য্য আৰু ইস্ৰায়েল আৰু যিহূদা দেশৰ ধাৰ্ম্মিক আৰু অসৎ ৰজাবিলাকৰ ৰাজত্বৰ বিষয়ে বৰ্ণনা কৰিছে। ২ৰাজাৱলি ১৯ঃ১৫ পদটি চাওক। প্ৰায় ৭২২ ত ইস্ৰায়েলৰ অধিবাসীসকলক অৰামীয়া দেশলৈ আৰু ৫৬১ ত যিহূদাৰ অধিবাসীবিলাকক বাবিললৈ পঠিয়াই দিয়া হৈছিল। ২ ৰাজাৱলি ৫ঃ১-২৭ ত এজন অৰামীয়াই ইলীছাৰ কথা শুনি সুস্থ হোৱাৰ বৰ্ণনাটি লূক ৪ঃ২৭ পদত চাওক।

৫৩৮-৫১৬ আৰু ৪৫৮-৪৫৭, ইজ্ৰা পুস্তক যিহূদা দেশৰ বন্দী অৱস্থাৰ পৰা প্ৰথম দল জৰুব্ব বাবিল আৰু দ্বিতীয় দল ইজ্ৰাৰ নেতৃত্বত মুকলি হৈ অহাৰ কথা বৰ্ণনা কৰা আছে। ইজ্ৰা ৩ঃ১১ পদটো চাওক। লূক ২১ঃ২৪ পদত চাওক যীচুৱে কেনেকৈ অবিশ্বাসৰ কাৰণে যে শাস্তি আহিব, সেই বিষয়ে ক'বলৈ ইজ্ৰা ৯ঃ৭ পদৰ কথাখিনি ব্যৱহাৰ কৰিছে চাওক।

৪৮৩-৪৭৩ ইষ্টেৰ পুস্তকত বাবিলৰ ৰজাৰ যিহুদী পত্নী ইষ্টেৰ ৰাণীয়ে যিহুদী বন্দীবিলাকক সিহঁতৰ সৈন্যবিলাকৰ হাতত বিধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিবলৈ ৰজাৰ লগত কেনেকৈ মধ্যস্থতা কৰিছিল সেই বিষয়ে বৰ্ণনা কৰা আছে। ইষ্টেৰ ৪ঃ১৪ পদটো চাওক। মথি ৬ঃ২৩ পদত মূৰ্খ হেৰোদ ৰজাই ইষ্টেৰ ৫ঃ৩ আৰু ৬ পদৰ কথাখিনি ব্যৱহাৰ কৰিছে, সেই বিষয়ে চাওক।

৪৪৪-৪২৫, নহিমিয়া পুস্তক নহিমিয়াৰ নেতৃত্বত যিৰূচালেমলৈ বাবিলৰ ৰজা অৰ্তক্ষত্ৰ, প্ৰথমৰ পৰা নগৰৰ গড় পুনৰ নিৰ্ম্মাণ কৰা আদেশ লৈ অহা বন্দী বিলাকৰ আন এটা প্ৰত্যাবৰ্ত্তনৰ বিষয়ে উল্লেখ আছে। নহিমিয়া ৮ঃ১০ পদটি চাওক। যোহন ৬ঃ৩১ পদত যীচুৱে নহিমিয়া ৯ঃ১৫ পদৰ কথাখিনি নিজৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাৰ বিষয়ে চাওক।

**২। অহা সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ বিষয়ে আপোনাৰ সহকৰ্ম্মীৰ লগত ঠিক কৰি লওক।**

আপোনাৰ শিক্ষাৰ্থীসকলক তেওঁলোকৰ বাইবেলত বুৰঞ্জীমূলক পুস্তককেইখনৰ নামবোৰ আৰু প্ৰধান বিষয়বোৰ বিচাৰি ল'বলৈ আৰু শিকিবলৈ সহায় কৰক।

বুৰঞ্জীমূলক পুথিকেইখনত বাইবেলৰ বীৰকেইজন - যিহোচুৱা, ৰূথ, গিদিয়ন, চিমচন, দায়ুদ, চমূৱেল, এলিয়া, ইলীচা আৰু নহিমিয়াক বিচাৰি লওক। আপুনি যেতিয়া আপোনাৰ মেৰ জাকৰ সভ্যসকলৰ তালৈ যায়, তেতিয়া এইবোৰৰ পৰাই কিছুমান গল্প কওক।

**৩। হ'বলগীয়া উপাসনাৰ বিষয়ে আপোনাৰ সহকৰ্ম্মীসকলৰ সৈতে ঠিক কৰি লওক।**

আপুনি দ্বিতীয় ভাগত যুগুত কৰি লোৱা বাইবেলৰ যিকোনো এটা গল্প নাটক কৰি দেখুৱাওক নাইবা বৰ্ণনা কৰক।

ল'ৰা-ছোৱালীবিলাকে যুগুত কৰা বিষয়বোৰ পৰিবেশন কৰিবলৈ দিয়ক।

প্ৰভুৰ ভোজৰ তালিকাখন পৰিচয় কৰি দিবলৈ ১চমুৱেল ১৫ঃ২২ পদটো পঢ়ক। পুৰণি নিয়মৰ বলি উৎসৰ্গা কৰাই খ্ৰীষ্টৰ বলিদানৰ বিষয়ে আগজাননী আছিল। প্ৰভু ভোজৰ দৰে, মানুহবিলাকে যদি বিশ্বাস আৰু অনুতপ্ত হৃদয়বিহীন ভাৱে কেৱল মাত্ৰ নিয়মৰ বাবে পালন কৰে, তেনেহ'লে সেইবোৰৰ একো মূল্য নাই।

সমাজৰ নেতাবিলাকৰ বাবে, খ্ৰীষ্টক প্ৰয়োজন হোৱা ওচৰ চুবুৰীয়া মানুহৰ দলবোৰৰ বাবে, বেমাৰীবিলাকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ দুই বা তিনিজনীয়া সৰু সৰু দলবোৰ গঠন কৰক।

যিহোচুৱা ১ঃ৭ পদটো আটায়ে একেলগে মুখস্থ কৰক।

| **বিচাৰকৰ্ত্তাবিলাকৰ পুস্তকৰ পৰা, বিচাৰকৰ্ত্তাবিলাকৰ সময়ৰ ঘটনা আৰু বিচাৰকৰ্ত্তাবিলাক** | **বছৰ** |
|---|---|
| ইস্ৰায়েলে কূচন আৰু ৰিচাথয়িমৰ সেৱা কৰিলে, ৩ঃ৭-৮ | ৮ |
| অৎনীয়েলে ইস্ৰায়েলক মুক্তি দিয়াৰ পিচত শান্তি, ৩ঃ৭-১১ | ৪০ |
| ইস্ৰায়েল মোৱাবৰ সেৱা কৰিলে, ৩ঃ১২ | ১৮ |
| এহুদে ইস্ৰায়েলসকলক মুক্তি দিয়াৰ পিচত শান্তি হ'ল ৩ঃ১২-৩০ | ৮০ |
| চম্‌গৰে ইস্ৰায়েলক পলিষ্টীয়া সকলৰ পৰা উদ্ধাৰ কৰিছিল, ৩ঃ৩১ | ১ |
| ইস্ৰায়েলে কনানৰ সেৱা কৰিছিল। ৪ঃ১-৩ | ২০ |
| দবোৰা আৰু বাৰাকৰ  দ্বাৰাই মুক্তিৰ পিচত শান্তি, ৪ঃ১-৫ঃ৩ | ৪০ |
| ইস্ৰায়েলৰ ৰজা অবীমেলক ৯ঃ১-৫৭ | ৩ |
| তোলাৰ কাৰ্য্যকাল ১০ঃ১-২ | ২৩ |
| যায়ীৰৰ কাৰ্য্যকাল, ১০ঃ৩-৫ | ২২ |
| অম্মোন আৰু পলেষ্টীয়াক ইস্ৰায়েল সকলে সেৱা কৰা, ১০ঃ৮-১০ | ১৮ |
| যিপ্তহৰ কাৰ্য্যকাল, ১০ঃ৮-১২ঃ৭ | ৬ |
| ইব্‌চনৰ কাৰ্য্যকাল, ১২ঃ৮-১০ | ৭ |
| এলোনৰ কাৰ্য্যকাল, ১২ঃ১১-১২ | ১০ |
| অব্দোনৰ কাৰ্য্যকাল, ১২ঃ১৩-১৫ | ৮ |
| ইস্ৰায়েলে পলেষ্টীয়া বিলাকৰ  সেৱা কৰা ১৩, ১ | ৪০ |
| চিমচনৰ কাৰ্য্যকাল, ১৩ঃ১-১৬ঃ৩১ | ২০ |
| *নেলচনৰ বাইবেল মেপৰ সম্পূৰ্ণ পুথি আৰু তালিকাৰ পৰা © **১৯৯৩** থমাছ নেলচন* | |

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net